# জনজাতিৰ
# জ্বলন্ত সমস্যা

অনুবাদ আৰু সংকলন—

শ্ৰীযোগেন্দ্ৰ কুমাৰ বসুমতাৰী।

প্লেইন্স্ ট্ৰাইবেল্‌চ্ কাউন্সিল অব্ আসাম।

মূল্য : ৩০ ত্ৰিশ পইচা।

# ॥ মুখবন্ধ ॥

ইংৰাজী ১৯৬৬ চনৰ ২৮ মাৰ্চ্চ তাৰিখে অসম ট্ৰাইবেল সংঘৰ প্ৰতিনিধি সকলে চিলঙত অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিমলা প্ৰসাদ চলিহা ডাঙৰীয়াৰ হাতত অৰ্পণ কৰা ইংৰাজীৰ স্মাৰক পত্ৰখন অসমীয়াত অনুবাদ কৰি প্ৰকাশ কৰা হল। ইংৰাজীত লিখা হোৱা বাবে এই স্মাৰকপত্ৰৰ বিষয় বস্তুবোৰ জনসাধাৰণৰ বোধগম্য নোহোৱাটো স্বাভাবিক। তদুপৰি ইংৰাজীৰ মূল স্মাৰক পত্ৰখনকে আজিলৈকে ছপাই প্ৰকাশ নকৰাত গোটেই বিষয়টোৱে ৰাইজৰ অজ্ঞাত থাকি গৈছে। অথচ এই স্মাৰক পত্ৰখনত ভৈয়ামৰ জনজাতীয় ৰাইজৰ দৰিদ্ৰতা নিবাৰণ আৰু অৰ্থনৈতিক উন্নয়নৰ বাবে লাগতিয়াল কেইটামান পৰামৰ্শ আগবঢোৱা হৈছে। ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহত বেদখল হৈ থকা পতিত মাটিৰ উদ্ধাৰ, মাটিহীন জনজাতীয় লোকক মাটি দিয়া, আইনৰ বিধান সমূহক উপেক্ষা কৰি বেআইনী বেদখলদাৰ সকলক বেদখলৰ বাবে উৎসাহ দিয়া আদি জনজাতিৰ মৌলিক সমস্যাবোৰো এই স্মাৰকপত্ৰখনত উল্লেখ কৰা হৈছে। ভৈয়ামৰ জনজাতীয় প্ৰায়ভাগ এম, এল, এই এই স্মাৰক পত্ৰত চহীকৰা আৰু দাখিল কৰাৰ সময়ত উপস্থিত থকাটো এটা গুৰুত্বপূৰ্ণ কথা। তথাপিও ভৈয়ামৰ জনজাতীয় ৰাইজৰ একমাত্ৰ উমৈহতীয়া সামাজিক অনুষ্ঠান সদৌ অসম ট্ৰাইবেল সংঘক চৰকাৰে কিমান গুৰুত্ব দিয়ে, অসম ট্ৰাইবেল সংঘৰ উক্ত স্মাৰক পত্ৰত উল্লেখ কৰা কোনো বিষয়কে আজিলৈকে কাৰ্য্যকৰী নকৰা নাইবা বিবেচনা কৰি চাবলৈ যত্ন নকৰাটোৰ পৰাই জুখি চাব পৰা যায়।

১৯৬৬ চনৰ ১১ আৰু ১২ মে তাৰিখে গুৱাহাটীৰ লাটুমা প্ৰাইমাৰীনত বহা সদৌ অসম ট্ৰাইবেল সংঘৰ কেন্দ্ৰীয় কমিটীৰ অধিবেশনত গৃহীত প্ৰস্তাববোৰকো এই পুস্তিকাৰ দ্বিতীয় খণ্ডত সংযোজিত কৰা হৈছে। এই প্ৰস্তাববোৰকো জনসাধাৰণৰ জ্ঞাতাৰ্থে আজিলৈকে প্ৰকাশ কৰা হোৱা নাই। ভূমি সম্পৰ্কীয় সমস্যাত জড়িত নথকা প্ৰস্তাববোৰ বাদ দি ট্ৰাইবেল বেল্ট আৰু

ব্লক সমূহত চৰকাৰী উদাসীনতা আৰু আইনৰ বিৰুদ্ধাচৰণ কৰা চৰকাৰী বিধিব্যৱস্থা সম্পৰ্কীয় প্ৰস্তাববোৰহে ইয়াত দিয়া হৈছে। পঞ্চায়তৰ সংবিধানত স্পষ্ট উল্লেখ থকা সত্ত্বেও কোনো ট্ৰাইবেল সদস্য নথকা কলিয়াবৰ আঞ্চলিক পঞ্চায়তত ট্ৰাইবেল সদস্য কো-অপ্ট্ কৰি লবলৈ উক্ত আঞ্চলিক পঞ্চায়ত আৰু চৰকাৰৰ অস্বীকৃতিৰ দ্বাৰা সংবিধানৰ ধাৰাবোৰো কেনেকৈ উপেক্ষিত হয় তাক জানিবৰ কাৰণে চতুৰ্দ্দশ প্ৰস্তাৱক স্থান দিয়া হৈছে। নিজে ৰচনা কৰা আইন চৰকাৰে কিভাবে উপেক্ষা কৰে দ্বাদশ প্ৰস্তাবটোৱে তাৰ সাক্ষ্য দিব। আমাৰ বিশ্বাস, চৰকাৰে সংঘৰ উক্ত স্মাৰকপত্ৰ আৰু প্ৰস্তাববোৰৰ কোনো-টোৰ পাতকে লুটিয়াই চোৱা নাই, লুটিয়াই চাবলৈ চৰকাৰক বাধ্য কৰিবৰ কাৰণেও সংঘই বিশেষ যত্ন লোৱা নাই। চৰকাৰে নিয়োগ কৰা তদন্ত চাব্-কমিটীৰ ৰিপোৰ্ট, ভৈয়ামৰ জনজাতি উপদেষ্টা পৰিষদৰ পৰামৰ্শ আৰু অনু-মোদন, ধেবৰ কমিচন আৰু অনুসূচিত জাতি আৰু অনুসূচিত জনজাতি কমি-চনাৰৰ পৰামৰ্শ আৰু অনুমোদন যি চৰকাৰে কেৰেপ নকৰে, জনসাধাৰণৰ সামাজিক অনুষ্ঠানৰ স্মাৰকপত্ৰ বা প্ৰস্তাবক সেই চৰকাৰে কিমান গুৰুত্ব দিব সেইয়া ভাবিব লগীয়া কথা। ইতি—

শ্ৰীযোগেন্দ্ৰ কুমাৰ বসুমতাৰী
অনুবাদক আৰু সংকলক।

## ॥ প্ৰথম খণ্ড ॥

# অসমৰ মুখ্যমন্ত্ৰীৰ ওচৰত অসম ট্ৰাইবেল সংঘৰ প্ৰদত্ত স্মাৰকপত্ৰ।

অসমৰ মুখ্যমন্ত্ৰীৰ সমীপেষু——চিলং,

২৮ মাৰ্চ্চ ১৯৬৬ইং।

শ্ৰদ্ধেয় মহোদয়,

সদৌ অসম ট্ৰাইবেল সংঘৰ হৈ সদৌ অসম ট্ৰাইবেল সংঘৰ নিম্ন-স্বাক্ষৰকাৰী সদস্যসকলে ৰাজ্যখনৰ ভৈয়াম অঞ্চলত বসবাস কৰা জনজাতীয় লোকসকলে সন্মুখীন হোৱা তলত দিয়া জ্বলন্ত সমস্যাৱলীৰ প্ৰতি উপযুক্ত প্ৰতিবিধানৰ কাৰণে আমাৰ কেতবোৰ পৰামৰ্শৰে সৈতে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিছোঁ। ইয়াতে উল্লেখ কৰা যায় যে বিগত ১৮ ডিচেম্বৰত আপোনাক আপোনাৰ চিলঙৰ বাসভৱনত আন এখন স্মাৰকপত্ৰ দাখিল কৰাৰ সময়ত আপুনি আমালোকক জনজাতিৰ অৰ্থনৈতিক মুক্তিৰ বাবে নিৰ্দ্দিষ্ট পৰামৰ্শৰে সৈতে পুনৰায় ফেব্ৰুৱাৰী মাহত আপোনাক লগ ধৰিবলৈ উপদেশ দি বাধিত কৰিছিল। কিন্তু কিছুমান অসুবিধাৰ বাবে আমালোকে আপোনাক যোৱা ফেব্ৰুৱাৰী মাহত লগ ধৰিবলৈ সমৰ্থ হোৱা নাই। ৰাজ্যৰ ভৈয়াম অঞ্চলত বসবাস কৰা জনজাতি সকলে অতিশয় ব্যথিত হৈছে যে পৰ্ব্বতৰ জনজাতীয় ভাইসকলে তেওঁলোকৰ অঞ্চলত উপদ্ৰৱ সৃষ্টি কৰি সেইবোৰ সমস্যাৰ সন্মুখীন হবলৈ আপোনাক গভীৰ ভাবে মনোনিবেশ কৰিব লগা হৈছে। আমি পৰ্ব্বতীয়া ভাইসকলৰ ৰাষ্ট্ৰবিৰোধী কাৰ্য্যকলাপ বিন্দুমাত্ৰ সমৰ্থন কৰিব নোৱাৰোঁ। ভৈয়াম অঞ্চলৰ জিলাবোৰত বসবাস কৰা জনজাতীয় লোকসকলৰ ক্ষেত্ৰত আমালোকে আপোনাক আশ্বাস দিব পাৰোঁ যে তেওঁলোকে ...ায় চৰকাৰৰ লগত সহযোগিতা কৰিব আৰু প্ৰয়োজনীয় সময়ত তেওঁলোকৰ ...ৱশ্যকীয় সাহায্য আগবাঢ়ি আহিব। আপোনাৰ আগত আমাৰ সমস্যা-...াৰ ডাঙি ধৰিবলৈ সুযোগ দিয়া বাবে আমালোকে আপোনাৰ ওচৰত অতি-...য় কৃতজ্ঞ। ৰাজ্যৰ ভৈয়ামৰ জিলা কেইখনত বসবাস কৰা জনজাতীয় লোক

সকলে সাধাৰণতঃ দৰিদ্ৰ আৰু বহু সমস্যাত জৰ্জ্জৰিত, যিবোৰৰ দীঘলীয়া বৰ্ণনাৰ প্ৰয়োজন নাই আৰু যিবোৰ চৰকাৰৰ দ্বাৰা আন্তৰিক চেষ্টা কৰা হলে দূৰীভূত কৰিব পৰা যাব। আমি আন্তৰিক ভাবে অনুভব কৰোঁ যে অন্যান্য পৰামৰ্শৰ লগতে আমাৰ তলত দিয়া পৰামৰ্শসমূহ গৃহীত আৰু চৰকাৰৰ দ্বাৰা কাৰ্য্যকৰী কৰা হলে ভৈয়ামৰ অনুসূচিত জনজাতিৰ অবনতিমূখী আৰ্থিক অবস্থাৰ উন্নতি কৰাত ৰাজ্যচৰকাৰে বহুত কৃতকাৰ্য্য হব।

১। বিগত বাজেট বক্তৃতাৰ সময়ত দাদন আৰু ঋণদিয়া কুপ্ৰথা দূৰীভূত কৰিবলৈ চৰকাৰে পৰবৰ্ত্তী চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনাত ৰাজ্যৰ জনজাতি অধ্যুষিত অঞ্চলত ৫০খন ঋণদান সমবায় সমিতি (Credit Society) প্ৰতিষ্ঠা কৰিবলৈ আপোনাৰ ঘোষণা শুনি আমালোকে অতিশয় সন্তোষ পাইছোঁ। কিন্তু আমি অনুভৱ কৰোঁ যে চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনাত এইবোৰ সমস্যাৰ একচতুৰ্থাংশ লাঘব কৰিবলৈ হলেও অন্তত: ১৫০ দেড়শখন তেনেধৰনৰ সমবায় সমিতিৰ প্ৰয়োজন হব। সেই কাৰণে আমালোকে আপোনাক এই বিষয়ে সহানুভূতিৰে সৈতে বিবেচনা কৰিবলৈ আৰু ঋণদান সমবায় সমিতিৰ সংখ্যা ১৫০ খন লৈ বৃদ্ধি কৰিবলৈ অনুৰোধ জনাওঁ। যিবোৰ অঞ্চলত সেইবোৰ কুপ্ৰথাৰ প্ৰাদুৰ্ভাব আছে সেইবিলাক অঞ্চলত এইবোৰ সমিতি প্ৰথমে প্ৰতিষ্ঠা কৰা উচিত হব :—

(১) কোকৰাঝাৰ মহকুমা (২) গোৱালপাৰা মহকুমা (৩) ধুবুৰী মহকুমা (৪) নগাওঁ জিলা (৫) যোৰহাট মহকুমাৰ মাজুলী অঞ্চল (৬) ধেমাজী মহকুমা (৭) বৰপেটা মহকুমা (৮) মঙ্গলদৈ মহকুমা (৯) গুৱাহাটী মহকুমা। এইবোৰ সমিতিৰ নিয়মাৱলী আৰু স্বৰ্ত্তবোৰ এনেভাবে ৰচিত হোৱা উচিত যাতে নগদে আৰু বস্তুৰ দ্বাৰাই ঋণ পৰিশোধ কৰিব পৰা যায় আৰু যিবোৰৰ উপকাৰাৰ্থে এই সমিতিবোৰ গঠন কৰা হব সেই জনজাতীয় লোকসকলে সহজে ঋণ সংগ্ৰহ কৰিব পাৰে।

২। ঋণদাতা সকলে দৰিদ্ৰ জনজাতীয় কৃষক সকললৈ দিয়া সমস্ত ঋণ বিনা ক্ষতিপূৰণে বাতিল কৰিব লাগিব (write off)

৩। অনাট্ৰাইবেলৰ মালীকানাধীন যিবোৰ প্ৰকৃততে ট্ৰাইবেলৰ দখলত আছে, অনাট্ৰাইবেলৰ সেইবোৰ মাটীৰ পট্টা বাতিল কৰি দখলত থকা ট্ৰাই-

বেলৰ নামত বন্দোবস্তী দিব লাগিব।

৪। ভূমিবন্দোবস্তীকাৰী কৰ্ম্মচাৰী আৰু চতুৰ অনাট্ৰাইবেল লোকসকলৰ প্ৰতাৰণা মূলক ষড়যন্ত্ৰৰ দ্বাৰা জনজাতীয় লোকৰ যিবোৰ পট্টাৰ মাটি অনাট্ৰাইবেলৰ হাতলৈ হস্তান্তৰিত হৈছে সেইবোৰ সম্পূৰ্ণ অবসান হব লাগিব।

৫। জনজাতীয় অঞ্চলত থকা পাকিস্থানী লোকসকলৰ পৰিত্যক্ত মাটিবোৰ জমীহীন জনজাতীয় লোকৰ নামত মঞ্জুৰ কৰিব লাগিব আৰু চিলিং আইনৰে সংগৃহীত মাটি পাৰ্য্যমানে মাটিহীন জনজাতীয় লোকক বন্দোবস্তী দিব লাগিব।

৬। ভৈয়ামৰ জনজাতীয় উপদেষ্টা পৰিষদৰ (Plains Tribals Advisory Council) অনুমোদন, বিশেষকৈ ১৯৪৭ চনৰ অসম ভূমি আৰু ৰাজহ ৰেগুলেছন (সংশোধিত) আইনৰ দশম অধ্যায়ৰ ধাৰা সমূহৰ সংশোধনৰ বাবে দিয়া অনুমোদন অতি সোনকালে কাৰ্য্যকৰী কৰিব লাগিব। ট্ৰাইবেল বেল্ট আৰু ব্লক থকা মহকুমাবোৰত মহকুমা পৰ্য্যায়ত জনজাতিৰ কাৰণে স্বতন্ত্ৰ মাটি বন্দোবস্তী উপদেষ্টা পৰিষদ (Land Settlement Advisory Committee) গঠন কৰাটোও পৰিষদৰ অনুমোদন সমূহৰ অন্যতম আছিল।

৭। ট্ৰাইবেল বেল্ট আৰু ব্লকসমূহত বেদখল কৰি থকা অনাট্ৰাইবেল লোকসকলক উচ্ছেদ কৰি মুক্ত হোৱা বেদখলী মাটিবোৰ জনজাতীয় লোকসকলক বন্দোবস্তী দিব লাগিব।

৮। ট্ৰাইবেল বেল্ট আৰু ব্লক সমূহৰ পতিত মাটিবোৰ জমীহীন জনজাতীয় লোক আৰু জনজাতীয় লোকৰ অনুষ্ঠান সমূহৰ নামত বন্দোবস্তী দিব লাগিব।

৯। নতুনকৈ ৰিজাৰ্ভ সৃষ্টি কৰাৰ সময়ত ৰিজাৰ্ভ অঞ্চলত অন্তৰ্ভুক্ত কৰিবৰ উদ্দেশ্যে কোনো জনজাতীয় লোকৰ পট্টাৰ মাটী বাতিল কৰিব নোৱাৰিব।

১০। জনজাতীয় লোকলৈ পতিত মাটী বন্দোবস্তী দিয়াৰ সময়ত একান্নক হৈ থকা প্ৰতি পাঁচজন জনসংখ্যাকলৈ এটা পৰিয়ালৰ গোট হিচাবে গন্য ব লাগিব। উদাহৰণ স্বৰূপে এটা পৰিয়ালত একেলগে ২০ জন লোক কলে মাটি বন্দোবস্তী দিওঁতে তেওঁলোকক ৪টা পৰিয়ালৰ গোট হিচাবে কৰিব লাগিব

১১। প্ৰত্যেক জনজাতীয় অঞ্চলত সমবায় পদ্ধতিৰে কৃষিৰ উৎপাদিত শস্যৰ একোটাকৈ সমূহীয়া ভঁৰাল থাকিব লাগিব। এই উদ্দেশ্যে কৃষি সমবায় সমিতিৰ নামত চৰকাৰে আবাদযোগ্য মাটি মঞ্জুৰ দিব লাগিব আৰু এই সমবায় সমিতিয়ে উক্ত সমূহীয়া ভঁৰালৰ বাবে এই মাটিতে আবাদ কৰিব। জনজাতীয় অঞ্চলত স্থাপিত হবলগীয়া এই কৃষি সমবায় সমিতিক চৰকাৰে আৰ্থিক সাহায্য, কৃষিৰ সা-সজুলি আৰু সাৰৰ ব্যৱস্থাদি দিব লাগিব। ঋণ লোৱা সময় ছোৱাৰ ভিতৰত দুখীয়া কৃষক সকলৰ নগদে নাইবা ধাৰত সমূহীয়া ভঁৰালৰ পৰাই প্ৰয়োজনীয় পৰিমানৰ শস্য যোগান দিব লাগিব। এই ব্যৱস্থাই দুখীয়া জনজাতীয় লোকসকলৰ ঋণদাতা মহাজন আৰু দাদন দিয়া লোক সকলৰ কবলৰ পৰা বহুপৰিমাণে মুক্তি দিব।

১২। জনজাতীয় লোকসকলৰ উন্নয়ন মূলক কামৰ তত্ত্বাবধান লবৰ কাৰণে আৰু সংশ্লিষ্ট মহকুমাধিপতি আৰু জিলাধিপতিক উক্ত উন্নয়নমূলক কামত দিহা পৰামৰ্শ দিবৰ কাৰণে প্ৰতি মহকুমা আৰু জিলা পৰ্য্যায়ত জনজাতীয় প্ৰতিনিধি আৰু নেতৃস্থানীয় জনজাতীয় সদস্যসকলক লৈ একোখন সমন্বয় কাৰক সমিতি (Co-ordination Committee) গঠন কৰিব লাগিব।

১৩। প্ৰয়োজনীয় আৰ্থিক সাহায্যৰে জনজাতীয় লোক সকলক শিল্প, সমবায় সমিতি গঠন কৰিবলৈ সুবিধা দিব লাগিব, যাতে তেওঁলোকে বয়ন, চিলাই, কমাৰ, কাঠমিস্ত্ৰি, মটৰৰ কাৰখানা, কাঠফলা কল, ধানৰ কল, ছপাখানা, ছিনেমা আদি শিল্প-ব্যৱসায়ত সুযোগ পাব পাৰে।

১৪। জনজাতীয় লোকসকলৰ দ্বাৰা গঠিত সকলোবোৰ সমবায় সমিতিক আৰ্থিক সাহায্যৰ মঞ্জুৰী দিব লাগিব।

১৫। ৰিজাৰ্ভ ফৰেষ্টৰ ভিতৰত ফৰেষ্ট ভিলেজাৰ্চ হিচাবে বসবাস কৰি থকা জনজাতীয় লোক সকলৰ গাওঁবোৰক ৰিজাৰ্ভ অঞ্চলৰ পৰা বহিৰ্ভূত কৰি ৰাজহ বিভাগৰ অন্তৰ্ভূক্ত কৰিব লাগিব যাতে তেওঁলোকেও পঞ্চায়তী আৰু চৰকাৰৰ অন্যান্য প্ৰশাসনৰ সুবিধা গ্ৰহণ কৰিব পাৰে।

১৬। বানপানী আৰু গৰাখহনীয়াৰ দ্বাৰা ক্ষতিগ্ৰস্ত জনজাতীয় লোক সকল প্ৰয়োজনীয় আৰ্থিক সাহায্য দি চৰকাৰে অবিলম্বে স্থায়ী জমীত পুৰ্নবাসন দি লাগিব।

১৭। ষষ্ঠ শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীলৈকে পঢ়া নিম্নশিক্ষাপ্ৰাপ্ত জনজাতীয় লৰা-ছোৱালীবোৰক ৰাজ্যৰ বিভিন্ন ঠাইত অৱস্থিত বিভিন্ন কাৰিগৰী বিদ্যালয়ত বিশেষ বৃত্তি দি কাৰিগৰী শিক্ষালাভ কৰিবলৈ সুযোগ দিব লাগিব যাতে তেওঁলোকে তেনে শিক্ষালাভ কৰি কাম পাব পাৰে। বৰ্ত্তমানে জনজাতীয় লৰা ছোৱালীৰ তেনে শিক্ষানুষ্ঠানত শিক্ষালাভ কৰিবলৈ কোনো সুযোগ নাই। যাৰ ফলত তেওঁলোকে তেনে শিক্ষানুষ্ঠানত শিক্ষালাভ কৰিবলৈ অপাৰগ হৈছে।

১৮। দক্ষিণ কামৰূপ (গুৱাহাটী) ট্ৰাইবেল বেল্ট বিশেষকৈ বৃহত্তৰ গুৱাহাটীৰ অন্তৰ্ভূক্ত জনজাতীয় লোকৰ বাতিল হোৱা সকলোবোৰ একচনা পট্টাৰ মাটি পুনৰবাহাল ৰাখি তেওঁলোকক নতুন পট্টা মঞ্জুৰ কৰিব লাগিব আৰু বৃহত্তৰ গুৱাহাটীৰ অন্তৰ্ভূক্ত সকলোবোৰ একচনা পট্টাৰ মাটি ম্যাদীত ৰূপান্তৰিত কৰিব লাগিব।

১৯। উক্ত ট্ৰাইবেল বেল্ট অৰ্থাৎ দক্ষিণ কামৰূপ (গুৱাহাটি) ট্ৰাইবেল বেল্টৰ ভিতৰত অনাট্ৰাইবেল বেদখলকাৰী সকলক মাটি বন্দোবস্তী দিবৰ কাৰণে চৰকাৰে যি সিদ্ধান্ত লৈছে তাক পুনঃ পৰীক্ষা কৰি চাব লাগিব আৰু সিহঁতে বেদখল কৰি থকা মাটি বন্দোবস্তী দি বেদখলকাৰীক উৎসাহিত কৰা উচিত নহব।

২০। যি সকল জনজাতীয় লোকে বৃহত্তৰ গুৱাহাটীৰ ভিতৰত মাটি বন্দোবস্তীৰ কাৰণে দৰখাস্ত কৰিছে তেওঁলোকক মাটি বন্দোবস্তী দিব লাগিব আৰু বৃহত্তৰ গুৱাহাটী এলেকাৰ কিছু অঞ্চললৈ বনাঞ্চল ( Forestation ) সৃষ্টি কৰিবলৈ চৰকাৰে যি আঁচনি গ্ৰহণ কৰিছে, তাত বসবাস কৰি থকা লোক সকলৰ বৃহত্তৰ স্বাৰ্থৰ বাবে সেই আঁচনি প্ৰত্যাহাৰ কৰিব লাগিব।

২১। বৃহত্তৰ গুৱাহাটী অঞ্চলৰ ভিতৰত বসবাস নাইবা খেতিৰ উদ্দেশ্যে জনজাতীয় লোকে দখলত ৰখা মাটিবোৰ শিল্পাঞ্চলৰ পৰা বাদ দিব লাগিব।

২২। বৃহত্তৰ গুৱাহাটীৰ জনজাতীয় ভূমিৰ অধিকাৰী সকলক তেওঁলোকৰ াটিৰ ওপৰত আবাসগৃহ আৰু তেনে ধৰণৰ অন্যান্য ঘৰ নিৰ্ম্মাণৰ কাৰণে ৰ্খাস্ত কৰিলে গুৱাহাটী ডেভেলাপমেণ্ট কৰ্ত্তৃপক্ষই অনুমতি দিব লাগিব।

২৩। আমি ভাবোঁ যে বৃহত্তৰ গুৱাহাটীৰ লেণ্ড চেণ্টেলমেণ্ট এডভাইজাৰী কমিটীত ভৈয়ামৰ জনজাতীয় লোক সকলৰ পৰা এজন সদস্য গ্ৰহণ কৰা নহলে বৃহত্তৰ গুৱাহাটীৰ ভিতৰত মাটি বিতৰণৰ বাবে গঠিত হোৱা এডভাইজাৰী কমিটিত মাটি বন্দোবস্তীৰ কাৰণে জনজাতীয় দৰখাস্তকাৰী সকলৰ স্বাৰ্থ সঠিক ভাবে প্ৰতিনিধিত্ব কৰা নহব।

২৪। আমি শুনি সুখী হৈছিলোঁ যে যোৱা বছৰৰ আগৰ বছৰত গুৱাহাটী চহৰত এটা জনজাতি বিশ্ৰাম ভবন ( Tribal Rest House ) নিৰ্ম্মিত হব লগীয়া আছিল। কিন্তু এতিয়ালৈকে তাৰ নিৰ্ম্মান কাৰ্য্য আৰম্ভ হোৱা নাই। অতএব আমাৰ সানুনয় অনুৰোধ, এই বছৰৰ ভিতৰতে, অৰ্থাৎ ১৯৬৬-৬৭ চনৰ ভিতৰতে উক্ত বিশ্ৰাম ভবনৰ নিৰ্ম্মাণ কাৰ্য্য সমাপ্ত কৰিবৰ কাৰণে সংশ্লিষ্ট বিভাগলৈ নিৰ্দ্দেশ দিব।

২৫। ৰাজ্যৰ ভৈয়ামৰ জনজাতীয় লোক সকলৰ শিক্ষাৰ উন্নয়নৰ কাৰণে আপুনি যি গভীৰ আগ্ৰহ প্ৰকাশ কৰিছে তাৰ বাবে আপোনাৰ ওচৰত আমি কৃতজ্ঞ। যদিও আপোনাৰ সুদক্ষ নেতৃত্বত আপোনাৰ চৰকাৰে ভৈয়ামৰ জনজাতীয় লোক সকলৰ মাজত শিক্ষা বিস্তাৰৰ কাৰণে পাৰ্য্যমানে চেষ্টা কৰিছে তথাপিও ৰাজ্যৰ অন্যান্য লোকৰ তুলনাত জনজাতীয় লোকে শিক্ষা বিষয়ত বহুত পিচপৰি আছে। তেওঁলোকৰ মাজত শিক্ষাৰ অগ্ৰগতি দ্ৰুততৰ কৰিবৰ কাৰণে অন্ততঃ জনজাতীয় গাওঁঅঞ্চলত অৱস্থিত অতি কমেও দুখন হাইস্কুল পৰৱৰ্ত্তী চতুৰ্থ পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ ভিতৰত চৰকাৰী কৰিব লাগিব।

২৬। আপুনি ৰাক্তৈকেয়ে জানে যে জনজাতি অঞ্চলবোৰত অৱস্থিত লৰাৰ হাইস্কুল বোৰত পঢ়িবৰ কাৰণে বহুসংখ্যক জনজাতীয় ছোৱালী ছাত্ৰীবাসৰ অভাৱত বহুদূৰৰ পৰা খোজকাঢ়ি স্কুলত উপস্থিত হবলৈ আহে। অন্ততঃ তেনেকুৱা লৰাৰ হাইস্কুলবোৰত পঢ়িবলৈ অহা জনজাতীয় ছোৱালীবোৰৰ কাৰণে ছাত্ৰীবাস নিৰ্ম্মান কৰিবলৈ সাধাৰণ বাজেটৰ পৰা যথেষ্ট আৰ্থিক মঞ্জুৰী দিয়া উচিত।

২৭। আমি জানিব পাৰিছোঁ যে অসমৰ বাহিৰে ভাৰতৰ অন্যান্য ৰাজ্যত জনজাতীয় লোকসকলক বৈধ ( Legal ) মঞ্জুৰী দি আহিছে। আমি ভাবোঁ

এই ৰাজ্যৰ ভৈয়ামৰ জনজাতীয় লোক সকলোলৈও তেনেকুৱা গ্ৰাণ্ট আগবঢ়োৱা হলে তেওঁলোকেও পৰম উপকৃত হব।

২৮। পাৰ্ব্বত্য অঞ্চলৰ জনজাতীয় লোকসকলক আয় কৰৰ পৰা চৰকাৰে ৰেহাই দিছে কিন্তু পৰ্ব্বতীয়া জনজাতিৰ দৰে অনগ্ৰসৰ ভৈয়ামৰ জনজাতীয় লোকসকলক সেই আয়কৰৰ পৰা ৰেহাই দিয়া হোৱা নাই। গতিকে, ভৈয়ামৰ জনজাতীয় লোকসকলকো এই আয়কৰৰ পৰা অব্যাহতি দিবলৈ ভাৰত-চৰকাৰৰ ওচৰত আবেদন জনাবলৈ আপোনাক অনুৰোধ জনাওঁ।

অৱশেষত, ভগবানৰ ওচৰত আপোনাৰ দীৰ্ঘ জীৱনৰ প্ৰাৰ্থনা কৰোঁ। আপোনালৈ আমাৰ শুভেচ্ছা জ্ঞাপন কৰোঁ।

বিনীত—

স্বাঃ শ্ৰীমালচন্দ্ৰ পেগু। সভাপতি.
সদৌ অসম ট্ৰাইবেল সংঘ।

স্বাঃ শ্ৰীপিতসিং কোঁৱৰ। সাধাৰণ সম্পাদক.
সদৌ অসম ট্ৰাইবেল সংঘ।

স্বাঃ শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম। যুটীয়া সম্পাদক.
সদৌ অসম ট্ৰাইবেল সংঘ।

স্বাঃ শ্ৰীবাহাদুৰ বসুমতাৰী। এম-এল-এ।

স্বাঃ শ্ৰীহাকিম চন্দ্ৰ ৰাভা। এম,এল-এ।

স্বাঃ শ্ৰীসতীশ চন্দ্ৰ বসুমতাৰী। সদস্য,
সদৌ অসম ট্ৰাইবেল সংঘ কাৰ্য্যনিৰ্ব্বাচক সমিতি।

স্বাঃ শ্ৰীৰতিকান্ত টেৰণ। যুটীয়া সম্পাদক,
সদৌ অসম ট্ৰাইবেল সংঘ।

স্বাঃ শ্ৰীসুৰেন দাস। এম, এল এ।

স্বাঃ শ্ৰীহলধৰ উজীৰ। এম, এল-এ।

স্বাঃ শ্ৰীদণ্ডীবিহাৰী বসুমতাৰী।

OKDISCD

## "দ্বিতীয় খণ্ড"

(ইংৰাজী ১৯৬৬ চনৰ মে মাহৰ ২১ আৰু ২২ তাৰিখে গুৱাহাটিৰ লাটুমা প্ৰাইমাৰী স্কুলত বহা অসম ট্ৰাইবেল সংঘৰ কেন্দ্ৰীয় কমিটিৰ সভাত গৃহীত হোৱা প্ৰস্তাৱসমূহ জনসাধাৰণৰ জ্ঞাতাৰ্থে ইয়াত প্ৰকাশ কৰা হল)

## "প্ৰথম প্ৰস্তাব"

অসম ট্ৰাইবেল সংঘই গভীৰভাবে পৰ্য্যবেক্ষণ কৰি আহিছে যে অসম চৰকাৰে অসমৰ ভৈয়াম অঞ্চলৰ জনজাতীয় লোকৰ ভূমি সংৰক্ষণৰ বাবে অসম ভূমি আৰু ৰাজহ আইনৰ দশম অধ্যায় সংশোধন কৰি যি মহৎ উদ্দেশ্যলৈ ট্ৰাইবেল বেল্ট আৰু ব্লক গঠন কৰি দিছে সেই বেল্ট আৰু ব্লক বিলাকত অনা-ট্ৰাইবেল (অবাঞ্চনীয়) লোকসকলে বেদখলক্ৰমে আজিও অবাধে পত্তন আৰু ৰেজিষ্ট্ৰেশন পাই আছে। উক্ত আইনৰ নীতি-ব্যৱস্থামতে বেদখলকাৰীক উচ্ছেদ কৰাত চৰকাৰে যি উদাসীনতা আৰু মন্থৰ-গতি অবলম্বন কৰিছে তাৰ বাবে অসম ট্ৰাইবেল সংঘই তীব্ৰভাবে সমালোচনা কৰে আৰু ঘোৰ প্ৰতিবাদ জনায়।

আজিৰ সভাই যোৱা মাৰ্চ্চ মাহৰ ২৮ আৰু ২৯ তাৰিখে অসমৰ মুখ্য-মন্ত্ৰী চলিহা ডাঙৰীয়াৰ ওচৰত দাখিল কৰা অসম ট্ৰাইবেল সংঘৰ স্মাৰকপত্ৰৰ উল্লেখিত দফামতে বেল্ট আৰু ব্লক সমূহৰ অনা জনজাতীয় বেদখলকাৰীক ১৯৬৬ চনৰ অন্ততঃ আগষ্ট মাহৰ ভিতৰত সম্পূৰ্ণৰূপে উচ্ছেদ কৰিব লাগে বুলি চৰকাৰৰ ওচৰত দাবী জনায়। অন্যথায় অসম ট্ৰাইবেল সংঘই অন্যপন্থা অবলম্বন কৰিবলৈ বাধ্য হব।

প্ৰস্তাবক : শ্ৰীদেবেন বসুমতাৰী।
সমৰ্থক : শ্ৰীসৰ্ব্বানন্দ বড়ো।

## "দ্বিতীয় প্ৰস্তাব"

ভৈয়ামৰ জনজাতীয় লোকৰ ভূমি সংৰক্ষণৰ বাবে আইনৰ অধ্যায়মতে অসম ৰাজ্যিক চৰকাৰে ইংৰাজী ১৯৬৪ চনত জনজাতীয় লো পট্টাৰ মাটি অনাট্ৰাইবেল লোকৰ নামত কিনা-বেচা আৰু বন্ধকীৰ ৰেজিষ্ট্ৰে

কৰিব নোৱাৰা ব্যৱস্থা কৰি দিয়া স্বত্বেও কিছুমান প্ৰভাৱশালী অনাট্ৰাইবেল ব্যক্তি আৰু বিভাগীয় কৰ্ম্মচাৰীয়ে উক্ত আইন অৱজ্ঞা কৰি অবাধে ৰেজিষ্ট্ৰেশন কাৰ্য্য চলাই আছে। উদাহৰণ স্বৰূপে মঙ্গলদৈ মহকুমাৰ হৰিচিঙা নিবাসী এজন ধানকলৰ মালীক শ্ৰীবলভদ্ৰ ওজা আৰু অন্যান্য উল্লেখযোগ্য। কোকৰাঝাৰ, গুৱাহাটী, উত্তৰ কামৰূপ আদি মহকুমা বিলাকতো অবাধে ৰেজিষ্ট্ৰেশন কাৰ্য্য চলি আছে। গতিকে অসম ট্ৰাইবেল সংঘৰ আজিৰ সভাই ইয়াৰ তীব্ৰ প্ৰতিবাদ জনায় আৰু অনতিপলমে উক্ত আইন সক্ৰিয়ভাবে বলবৎ কৰিবলৈ অসম ৰাজ্যিক চৰকাৰৰ ওচৰত টানি অনুৰোধ জনায়।

প্ৰস্তাবক : শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম।
সমৰ্থক : শ্ৰীপিতসিং কোঁৱৰ।

## "তৃতীয় প্ৰস্তাৱ"

মঙ্গলদৈ মহকুমাৰ শ্যামাবাৰী মৌজাৰ অন্তৰ্গত ট্ৰাইবেল বেল্ট আৰু ব্লকৰ মাটি মৰাবেগীৰ পাৰ, বৰদোৱা, বৰদোৱাৰ পাৰ, তেতেলীভাংগুড়ীত বেআইনীভাবে বেদখল কৰি থকা মুছলমান লোকসকলক চৰকাৰে উচ্ছেদ কৰিবৰ কাৰণে দিয়া হুকুম পুনৰায় বাতিল কৰা কাৰ্য্যকলাপক মঙ্গলদৈ জিলা ট্ৰাইবেল সংঘই বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত অভিযোগ দাখিল কৰা স্বত্বেও আজিলৈকে চৰকাৰে এই সম্পৰ্কে কোনো ব্যৱস্থা লোৱা নাই। চৰকাৰে এনেকুৱা উদাসীনতা অৱলম্বন কৰি বেদখলকাৰী লোকসকলক অসম হাই-কোৰ্টত আপীল কৰিবলৈ সুবিধা দিয়াৰ বাবে অসম ট্ৰাইবেল সংঘৰ আজিৰ সভাই তীব্ৰ প্ৰতিবাদ জনায় আৰু অনতিপলমে উক্ত বেদখলদাৰ সকলক উচ্ছেদ কৰি জনজাতীয় লোকসকলক মাটি বন্দোবস্তী দিবলৈ চৰকাৰৰ ওচৰত দাবী জনায়।

প্ৰস্তাবক : শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম।
সমৰ্থক : শ্ৰীবলসিং বাগ্লাৰী

## "চতুৰ্থ প্ৰস্তাৱ"

মঙ্গলদৈ মহকুমাৰ বৰশীলাঝাৰ মৌজাৰ অন্তৰ্গত ট্ৰাইবেল বেল্ট ব্লকৰ মেধিপাৰা, বানীপুখুৰী, ধীপবিহৰা, লাওদাং আদিত বেআইনীভাবে বেদখল

কৰি থকা সন্দেহযুক্ত (পাকিস্থানী) মুছলমান লোকসকলক সম্পূৰ্ণভাবে বেদখলৰ পৰা উচ্ছেদ কৰা হোৱা নাই আৰু পাকিস্থানী হিন্দুভগনীয়া সকলৰ মাজত বিনিময় প্ৰথা ৰাজ্যিক চৰকাৰে বন্ধ কৰা নাই। গতিকে এই অবৈধ বিনিময় প্ৰথা বন্ধ কৰি বেদখলকাৰী সকলক অনতি পলমে উচ্ছেদ কৰিবলৈ অসম ট্ৰাইবেল সংঘৰ আজিৰ সভাই দাবী কৰে।

প্ৰস্তাবক : শ্ৰীমঙ্গলচণ্ডী ব্ৰহ্ম।
সমৰ্থক : শ্ৰীবলসিং ৰাগলাৰী।

## "পঞ্চম প্ৰস্তাৱ"

আজিৰ সভাই দক্ষিণ কামৰূপ (গুৱাহাটী) ট্ৰাইবেল বেল্টৰ সংৰক্ষিত মাটিত এলাইড্ ইণ্ডাষ্ট্ৰিজে বেআইনীভাবে দখল কৰাৰ তীব্ৰ প্ৰতিবাদ জনায় আৰু অনতি পলমে এই বেদখলকাৰীক উচ্ছেদ কৰিবলৈ অসম ট্ৰাইবেল সংঘৰ আজিৰ সভাই কতৃপক্ষৰ ওচৰত দাবী জনায়।

প্ৰস্তাবক : শ্ৰীসৰ্ব্বানন্দ বড়ো।
সমৰ্থক : শ্ৰীদণ্ডীবিহাৰী বসুমতাৰী।

## "সপ্তম প্ৰস্তাৱ"

কোকৰাঝাৰ মহকুমাৰ অন্তৰ্গত বিজনী ট্ৰাইবেল ব্লক আৰু চিদলী ট্ৰাইবেল বেল্টৰ কুমাৰচালি আৰু মোৰামাৰী গাওঁৰ বহিৰাগত বেদখলকাৰীক চৰকাৰী কতৃপক্ষই উচ্ছেদৰ কাৰণে অগ্ৰসৰ হোৱাৰ সময়তে সেই মহকুমাৰ কেইজনমান বিশিষ্ট অজনজাতীয় নেতাই অযথা হস্তক্ষেপ কৰি উচ্ছেদ বন্ধ ৰাখিছে আৰু উক্ত গাওঁদুখনৰ বিহিৰাগত (Non-bonafide) সকলক বন্দোবস্তী দিয়াবৰ কাৰণে প্ৰচেষ্টা চলোৱাত সংঘই দুঃখ প্ৰকাশ কৰে। উক্ত গাওঁদুখনৰ উচ্ছেদকাৰ্য্য অতি সোনকালে কাৰ্য্যকৰী কৰিবৰ কাৰণে অসম চৰকাৰৰ ওচৰত সংঘই দাবী জনায়।

প্ৰস্তাবক : শ্ৰীসতীশ চন্দ্ৰ বসুমতাৰী।
সমৰ্থক : শ্ৰীদোখন বসুমতাৰী।

## "অষ্টম প্ৰস্তাৱ"

অসম ট্ৰাইবেল সংঘই এইটো লক্ষ্য কৰি আহিছে যে এক শ্ৰে মানুহে অসম ভূমি আৰু ৰাজহ ৰেগুলেশনৰ দশম অধ্যায়ৰ ১৬১ (১) ধাৰামে

অসম চৰকাৰৰ ১৯৪৭ চনৰ ৫ ডিচেম্বৰৰ আৰ, ডি ৬৯/৪৬/১৯নং নটিফিকেশন সংশোধন কৰি কিছুমান শ্ৰেণীৰ সম্প্ৰদায়ক ট্ৰাইবেল বেল্টৰ সংৰক্ষনযোগ্য (bonafide) শ্ৰেণী হিচাবে অন্তৰ্ভুক্ত কৰিবলৈ প্ৰচেষ্টা চলাই আহিছে। সংঘই তেনেকুৱা প্ৰচেষ্টাৰ তীব্ৰ প্ৰতিবাদ জনায় আৰু নতুনভাবে কোনো শ্ৰেণীৰ লোককে বেল্ট বা ব্লকৰ সংৰক্ষণ-যোগ্য (bonafide) হিচাবে অন্তৰ্ভুক্ত কৰাৰ তীব্ৰ বিৰোধিতা কৰে।

প্ৰস্তাবক : শ্ৰীযোগেন্দ্ৰ কুমাৰ বসুমতাৰী।
সমৰ্থক : শ্ৰীমনেশ্বৰ খাকলাৰী।

### "দশম প্ৰস্তাৱ"

উত্তৰ লক্ষীমপুৰ জিলাৰ মিংমাং অঞ্চলত বসবাস কৰি থকা যি সকল জনজাতীয় লোকক অসম চৰকাৰে উচ্ছেদ কৰিছে, তেওঁলোকক অনতি পলমে সেই অঞ্চলতে, দৰকাৰ হলে ফৰেষ্ট ৰিজাৰ্ভ খুলি হলেও পুনৰ সংস্থাপন কৰিবলৈ অসম ট্ৰাইবেল সংঘই অসম চৰকাৰক অনুৰোধ জনায়।

প্ৰস্তাবক : শ্ৰীদেবেন বসুমতাৰী।
সমৰ্থক : শ্ৰীসৰ্ব্বানন্দ বড়ো।

### "একাদশ প্ৰস্তাৱ"

অসম ট্ৰাইবেল সংঘৰ হৈ যোৱা ১৮।১২।৬৫ ইং আৰু ২৮।৩।৬৬ ইং তাৰিখে অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ ওচৰত দাখিল কৰা স্মাৰকপত্ৰ আজিৰ সভাই সবিশেষ আলোচনা কৰি অনুমোদন কৰা হয়। আজিৰ সভাই উক্ত স্মাৰকপত্ৰ খনত যিবোৰ বিষয় আৰু সমস্যাৰ উল্লেখ কৰা হৈছে সেইবোৰ অনতিপলমে কাৰ্য্যকৰী কৰিবৰ কাৰণে অসম চৰকাৰক অনুৰোধ জনোৱা হল।

প্ৰস্তাবক : শ্ৰীসৰ্ব্বানন্দ বড়ো।
সমৰ্থক : শ্ৰীদেবেন বসুমতাৰী।

### "দ্বাদশ প্ৰস্তাৱ"

দক্ষিণ কামৰূপ ট্ৰাইবেল বেল্টৰ ভিতৰত অজনজাতীয় লোকে স্থায়ী বা অস্থায়ী ঘৰ নিৰ্ম্মান কৰি বেদখল কৰি থকা মাটিবোৰ সেই সেই অজন-

জাতীয় বেদখলকাৰী লোকৰ নামত পট্টন আৰু নামজাৰী দিবলৈ চৰকাৰে এখন নিৰ্দ্দেশ জাৰী কৰিছে। চৰকাৰৰ এই নিৰ্দ্দেশ অসম ভূমি আৰু ৰাজহ ৰেগুলেশনৰ দশম অধ্যায়ত দিয়া বিধান সমূহৰ সংগতি বিহীন আৰু ট্ৰাইবেল বেল্ট আৰু ব্লকৰ স্বাৰ্থবিৰোধী নীতি। এই নিৰ্দ্দেশ কাৰ্য্যকৰী কৰিবলৈ হলে উক্ত বেল্টৰ ভিতৰত কোনো অ-জনজাতীয় বেদখলকাৰীক উচ্ছেদ কৰিব পৰা নহব। গতিকে অসম চৰকাৰৰ উক্ত নিৰ্দ্দেশ ততালিকে প্ৰত্যাহাৰ কৰি লবলৈ অসম চৰকাৰক আজিৰ সভাই দাবী জনায়।

প্ৰস্তাবক : শ্ৰীযোগেন্দ্ৰ কুমাৰ বসুমতাৰী।
সমৰ্থক : শ্ৰীবাহাদুৰ বসুমতাৰী।

"ত্ৰয়োদশ প্ৰস্তাৱ"

নগাওঁ জিলাৰ কলিয়াবৰ চাৰ্কেলৰ বৰভগীয়া আৰু চতিয়লি মৌজাৰ অন্তৰ্গত বৌমাৰীবিল আৰু বৌমাৰী দলনি কিছামতৰ চৰকাৰী মাটিবোৰ পত্তন দিবৰ কাৰণে বহুবাৰ আবেদন জনোৱা স্বত্বেও আজিলৈকে কৰ্তৃপক্ষই কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। ইয়াৰ বিহিত ব্যৱস্থা কৰিবৰ কাৰণে অসম ট্ৰাইবেল সংঘৰ জৰীয়তে ট্ৰাইবেল ৰাইজে ৰাজহ মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত দৃনাই টানি অনুৰোধ জনায়।

প্ৰস্তাবক : শ্ৰীজিতেন্দ্ৰ নাথ বাগলাৰী।
সমৰ্থক : শ্ৰীমগল চন্দ্ৰ বসুমতাৰী।

॥ চতুৰ্দ্দশ প্ৰস্তাৱ ॥

নগাওঁ জিলাৰ কলিয়াবৰ আঞ্চলিক পঞ্চায়তত ট্ৰাইবেলৰ এজন কো-অপ্‌টেড্ সভ্য লবৰ কাৰণে আবেদন জনোৱা স্বত্বেও কতৃপক্ষই কোনো ব্যৱস্থা নলোৱাত কলিয়াবৰ অঞ্চলৰ ট্ৰাইবেল ৰাইজৰ অপূৰণীয় ক্ষতি হৈছে। গতিকে এই সম্বন্ধে যথাযোগ্য ব্যৱস্থা হাতত লবৰ কাৰণে কতৃপক্ষলৈ টানি অনুৰোধ জনোৱা হল।

প্ৰস্তাবক : শ্ৰীজীতেন্দ্ৰ নাথ বাগলাৰী।
সমৰ্থক : শ্ৰীদেবেন বসুমতাৰী।

॥ পঞ্চদশ প্ৰস্তাৱ ॥

বৰ্ত্তমান ইংৰাজী চনৰ যোৱা ১২ মাৰ্চ্চ তাৰিখে কোকৰাঝাৰ জিলা ট্ৰাইবেল সংঘৰ প্ৰদত্ত স্মাৰক পত্ৰ অনুসৰি অসমৰ মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দ্দেশ,

চিদলী ট্ৰাইবেল বেল্ট আৰু বিজনী ট্ৰাইবেল ব্লকৰ ভিতৰত সম্পাদিত হোৱা বে আইনী পত্তন, নামজাৰী আৰু বেদখলৰ তদন্ত কৰিবৰ কাৰণে অসম চৰকাৰে এচিষ্টেণ্ট্ লেণ্ড্ ৰেকৰ্ড ডাইৰেক্টোৰ ডাঙৰীয়াই যোৱা ৫ এপ্ৰিলৰ পৰা ১৮ এপ্ৰিল লৈকে উক্ত বেল্ট আৰু ব্লকত তদন্তকাৰ্য্য চলায়। এচিষ্টেণ্ট্ লেণ্ড্ ৰেকৰ্ড ডাইৰেক্টৰ চাহাবৰ উক্ত তদন্তৰ পৰা এইটো স্পষ্টভাৱে প্ৰমাণিত হৈছে যে যোৱা ইংৰাজী ১৯৫২ চনৰ পৰা উক্ত বেল্ট আৰু ব্লক অঞ্চলত পূৰ্ব্বপাকিস্থানৰ পৰা অহা অসংখ্য বহিৰাগত লোকক বেআইনীভাৱে খাছমাটি বন্দোবস্তী ও নামজাৰী দি আহিছে আৰু আজিলৈকে সেই বেআইনী পত্তন কাৰ্য্য অবাধে চলি আছে। তদুপৰি বিজনী ট্ৰাইবেল ব্লকৰ ১নং কচুবিল, ২নং কচুবিল, ঠাইছোবাৰী আদি ৪৮ খন আৰু চিদলী ট্ৰাইবেল বেল্টৰ ছাশ্ৰাওবাৰী হাতীপোতা আদি ১৪ খন গাওঁৰ সমুদয় খাছপতিত মাটি পূব পাকিস্থানৰ পৰা অহা কুৰি হেজাৰৰো অধিক বহিৰাগত লোকে বেদখল কৰি থকাৰ ফলত স্থানীয় মাটিহীন জনজাতীয় লোকে মাটি পোৱাৰ পৰা বঞ্চিত হৈছে।

কোকৰাঝাৰ মহকুমাৰ অন্তৰ্গত উক্ত বিজনী ট্ৰাইবেল ব্লক আৰু চিদলী ট্ৰাইবেল বেল্টৰ সকলোবোৰ বহিৰাগত বেদখলকাৰীক উচ্ছেদ, ১৯৫২ চনৰ পৰা পত্তন আৰু নামজাৰী দি অহা সমূদয় পট্টা বাতিল কৰি সেই সেই বেদখলকাৰী সকলকো উচ্ছেদ কৰিবলৈ চৰকাৰৰ ওচৰত অসম ট্ৰাইবেল সংঘই দাবী জনায়। সংঘই এইটোও দাবী জনায় যে ১৯৫১ চনৰ ২১।৫ ৫২ তাৰিখৰ এ, এফ. আৰ ৭৩/৫১ আদেশেৰে পানবাৰী আৰু কুৰ্লুং ৰিজাৰ্ভ ফৰেষ্টত অন্তৰ্ভূক্ত কৰা ৪৪৮৯১ বিঘা ৪ কঠা ৯ লেচা মাটি পুনৰায় বিজনী ট্ৰাইবেল ব্লকৰ অন্তৰ্ভুক্ত কৰি সেই মাটিত জনজাতীয় খেতিয়কক সংস্থাপন কৰা হওক।

প্ৰস্তাবক : শ্ৰীযোগেন্দ্ৰ কুমাৰ বসুমতাৰী।
সমৰ্থক : শ্ৰীদেবেন বসুমতাৰী।

"সপ্তদশ প্ৰস্তাৱ"

দক্ষিণ কামৰূপ (গুৱাহাটী) ট্ৰাইবেল বেল্টৰ বৃহত্তৰ গুৱাহাটীৰ অংশত চৰকাৰী পতিত মাটি আৰু ট্ৰাইবেল বেল্টৰ চৰকাৰী পতিত মাটি বিতৰণ

কৰিবৰ বাবে অসম চৰকাৰে এখন তিনিজনীয়া কমিটি পাতি দিছে কিন্তু উক্ত তিনিজনীয়া কমিটিত জনজাতীয় কোনো সদস্য নথকাত জনজাতীয় লোকসকলে মাটি বিতৰণ ক্ষেত্ৰত বৰ্ত্তমান কমিটীৰ পৰা বিশেষ সুবিধা নোপাব বুলি বিবেচনা কৰে। গতিকে মাটি বিতৰণ-ক্ষেত্ৰত যাতে ট্ৰাইবেল লোকসকলে উক্ত কমিটিৰ পৰা সুবিচাৰ পায় তাৰ বাবে উক্ত গুৱাহাটী মাটি বিতৰণী কমিটীৰ জনজাতীয় লোকৰ পৰা এজন লোকক সভ্যহিচাবে গ্ৰহণ কৰিবৰ কাৰণে অসম ট্ৰাইবেল সংঘৰ আজিৰ সভাই চৰকাৰক টানি অনুৰোধ জনায়।

প্ৰস্তাবক : সভাপতি।
সমৰ্থক : উপস্থিত সদস্যবৰ্গ।

উক্ত সমুদয় প্ৰস্তাব গৃহীত হৈছে।
স্বাঃ শ্ৰীমালচন্দ্ৰ পেগু।
সভাপতি
নদো অসম ট্ৰাইবেল সংঘ।
২১।৫।৬৬ ইং।